আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় ঠাই হৈছে মছজিদ, আৰু আটাইতকৈ ঘৃণনীয় ঠাই হৈছে বজাৰ।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় ঠাই হৈছে মছজিদ, আৰু আটাইতকৈ ঘৃণনীয়
ঠাই হৈছে বজাৰ।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে যে, আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় স্থান হৈছে মছজিদ। কিয়নো এইটো হৈছে ইবাদতৰ ঘৰ আৰু ইয়াৰ ভেটি স্থাপন হৈছে তাক্বৱাৰ (আল্লাহভীতিৰ) ওপৰত। আনহাতে আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণিত স্থান হৈছে বজাৰ। কাৰণ ইয়াত বেছিভাগ সময়তে ঠগ-প্ৰৱঞ্চনা, প্ৰতাৰণা, সুত, মিছা শপত, প্ৰতিশ্ৰুতি ভংগ আৰু আল্লাহৰ স্মৰণৰ পৰা বিমুখ হোৱা ঘটনা সংঘটিত হৈ থাকে।

http://www.sunnah.global/hadeeth/as/show/4933